# টুপী

বীণা বিশ্বাস

মানুহৰ দলটোৰ আগে আগে ৰিদ্ধিমাকো নওঁলা খুলি সোমাই অহা দেখি বাৰাণ্ডাত পায়চাৰী কৰি থকা বিনন্দ চলিহাই ততাতৈয়াকৈ পিন্ধি থকা ক'লা টুপীটো খুলি থ'বলৈ ভিতৰলৈ সোমাই গ'ল। সেইখিনি সময়ত মানুহৰ চাৰিজনীয়া দলটো বিনন্দ চলিহাৰ বাৰাণ্ডাত আহি উপস্থিত হ'ল। গৃহস্থক নেদেখি কলিং বেলৰ চুইচটো টিপিলে। বিনন্দ চলিহাই বেৰৰ গজাল এটাত কোনোমতে টুপীটো ওলোমাই থৈ বাহিৰলৈ ওলাই আহিবলৈ লোৱাত চ'ৰা ঘৰত পত্নীৰ সৈতে মুখামুখি হ'ল। "হেৰি কি কৰিছে, চুলিখিনি ফণীয়াই ন'লয় কিয়, মানুহজনৰ আগত এনেকৈ আউল-বাউল মূৰটোৰে যায় নে?" পত্নীৰ কথাত বিনন্দ চলিহা এক প্ৰকাৰ উচপ খাই উঠিল আৰু চুলিখিনি গত লগাবলৈ আকৌ ভিতৰলৈ সোমাই গ'ল। দ্বিতীয় বাৰ কলিং বেলৰ কৰ্কশ মাতটোত চলিহাই মনে মনে ভুৰভুৰালে " তাইতো অহাৰ কথা নাছিল, ইমান দূৰৰ পৰা কোনো খবৰ-বাতৰি নিদিয়াকৈ তাই কিয় আহিল ? তদুপৰি অনুষ্ঠান এটা উদ্বোধন কৰিব লাগে বুলি ফোনত নিমন্ত্ৰণ কৰোঁতে পুৰুষ কণ্ঠ এটাহে শুনা গৈছিল।" বিনন্দ চলিহা অলপ অপ্ৰস্তুত হ'ল। ইমানপৰে মানুহ কেইজনক তেওঁৰ পত্নীয়ে আথে-বেথে মাতি আনি চৰাঘৰত বহুৱাই আকৌ ভিতৰলৈ সোমাই আহিল। "হেৰি শুনিছে আলহীয়ে অপেক্ষা কৰিছে, মাত দিয়ক গৈ আকৌ। আপুনি দেখোন ভিতৰলৈ আহি লাগি ধৰিল?" পত্নীৰ কথাত থতমত খাই বিনন্দ চলিহা চ'ৰাঘৰলৈ যাবলৈ লওঁতে এবাৰ পত্নীৰ চকুলৈ চাই তৎক্ষণাত চকু ঘুৰাই আনিলে আৰু আলহীক মাত দিবলৈ গ'ল।

চ'ৰাঘৰৰ চকীত বহি থকা প্ৰত্যেকজনে বিনন্দ চলিহাক দেখি হাতযোৰ কৰি অভিবাদন জনালে। কোঠাটোৰ এটা চুকত অকলশৰীয়া কৈ থোৱা চকীখনত ৰিদ্ধমা বহিছিল। তায়ো বিনন্দ চলিহাক নমস্কাৰ জনাই মিচিকিয়া হাঁহিৰে অভিবাদন জনালে। "ভাল নে আপোনাৰ ?" তাইৰ মাতত বিনন্দ চলিহা আকৌ থতমত খালে। তেওঁৰ যেন এই মুহূৰ্তত ৰিদ্ধিমাৰ লগত কথা পতাৰ মন নাই। তথাপিও ক'লে "আছো দিয়া ভালেই। তুমি ?" তাইৰ উত্তৰলৈ অপেক্ষা নকৰি এইবাৰ বিনন্দ চলিহাই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰিবলৈ অহা বাকী সকলৰ লগত চিনাকি হ'ল আৰু তেওঁলোকৰ আনুষ্ঠানটোৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। তাৰে এজনে মোনাৰ পৰা লেফাফা এটা উলিয়াই অতি বিনয়েৰে বিনন্দ চলিহাৰ হাতত দিলে আৰু তেওঁলোকৰ অনুষ্ঠানটো শুভ উদ্বোধন কৰিবলৈ নিৰ্দিষ্ট দিন তাৰিখ দি অনুৰোধ কৰিলে। লগতে তেওঁৰ অহা-যোৱা আৰু থকা-খোৱাৰো সু বন্দোবস্ত উদ্যোক্তা সকলেই কৰিব বুলি ক'লে। অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া বিনন্দ চলিহা সেই অঞ্চলটোৰ সন্মানীয় ব্যক্তি। সাহিত্য অনুৰাগী লোক। এজন সৎ নিষ্ঠাবান চাকৰিয়াল হিচাপেই নহয় এজন সৎ আৰু সমাজসেৱক হিচাপেও সভা-শুৱনী বিনন্দ চলিহাক বিভিন্ন অনুষ্ঠানে সভাৰ সৌষ্ঠৱ বৃদ্ধি আৰু বহুমূলীয়া ভাষণৰ বাবে নিমন্ত্ৰণ কৰে।

বিনন্দ চলিহাই এপাকত চুকৰ চকীখনত বহি ভাবত বিভোৰ হৈ থকা ৰিদ্ধিমালৈ চালে। তায়ো যেন তেওঁৰ চাৱনিলৈয়ে মন কৰি আছিল।তাই চকুৰ ইংগিতেৰে চলিহাক কিবা বুজাবলৈ চেষ্টা কৰিলে, কিন্তু চলিহাই তাইৰ আকাৰ-ইংগিতেৰে কোৱা কথাৰ একো আঁত ধৰিব নোৱাৰিলে। তাইৰ হাতত এটা চিকচিকিয়া টোপোলা। চলিহাই অনুমান কৰিলে তাই কিজানি ইংগিতেৰে এই টোপোলাটোৰ কথাই ক'বলৈ বিচাৰিছিল।অৱশেষত মানুহ কেইজন যাবলৈ

ওলাল। বিদায় লোৱাৰ বেলিকা আকৌ তেওঁলোকে বিনয়েৰে বিনন্দ চলিহাক নমস্কাৰ জনালে। কিন্তু ৰিদ্ধমাক তেতিয়ালৈকো নিজৰ  ঠাইতেই বহি থকা দেখি বিনন্দ চলিহাই বুজি পালে যে তাই সেই অনুষ্ঠানৰ মানুহ বিলাকৰ লগত আহা নাই।এই বাৰ চলিহা আৰু বেছি বিবুদ্ধিত পৰিল। মানুহ কেইজনক নঙলামুখলৈকে আগবঢ়াই থৈ আহি তেওঁ ৰিদ্ধিমাৰ পোনে পোনে চকীখনত বহিল। কিন্তু তেওঁ তাইৰ স'তে বাক বিনিময় কৰাৰ আগতেই তাই হাতত থকা টোপোলাটো চলিহাৰ হাতত গুজি দি তাৰ পৰা ওলাই আহিবলৈ সাজু হ'ল। মিচিকিয়াই হাঁহি এটা মাৰি বিনন্দ চলিহালৈ এটা কৰুণ চাৱনি দি তাই চলিহাৰ ঘৰৰ পৰা ওলাই আহিল। হাতত ৰিদ্ধমাই দিয়া টোপোলাটো লৈ বিনন্দ চলিহা সেইখিনিতেই স্থানু হৈ থিয় হৈ থাকিল। ভিতৰৰ পৰা পত্নী আহি তেওঁক মাত দিলতহে তেওঁৰ সম্বিত ঘুৰি আহিল। "কি হ'ল, আপুনি কি চিন্তাত ইমান মগ্ন হৈ আছে ? আৰু আপোনাৰ হাতত এইটো কি ? অ' তেওঁলোকে আনিছে হ'বলা। চাওঁচোন কি আছে ?" বুলি চলিহাৰ পত্নীয়ে তেওঁৰ হাতৰ পৰা টোপোলাটো নিবলৈ লওঁতে তেওঁ আকৌ অপ্ৰস্তুত হ'ল যদিও পত্নীৰ হাতত টোপোলাটো তুলি দিলে।

চলিহা খৰখোজেৰে বাহিৰলৈ ওলাই গ'ল। নঙলা মুখলৈ গৈ দূৰ দূৰলৈ ৰিদ্ধিমাক নেদেখি আচৰিতো হ'ল। কাৰণ ইমান কম সময়ৰ ভিতৰত ছোৱালীজনী কেনেকৈ ইমান খৰখোজে চলিহাৰ দীঘল পদূলিটো পাৰ হৈ নেদেখা হৈ গ'ল ? মনে মনে চলিহাৰ অলপ বেয়াও লাগিল। " ছেহ ! ইমান দূৰৰ পৰা  বাটকুৰি বাই ছোৱালীজনী আহিল অথচ তাইৰ লগত ভালদৰে দুআষাৰ পতাই নহ'ল!" চলিহা বিষণ্ণ মনে নঙলা মুখৰ পৰা উভতি আহিল। গোটেই পদূলিটোতেই চিনাকি গোন্ধ এটা আমোলমোলাই আছিল। চলিহা বাৰাণ্ডাৰ আৰামী চকীখনত গা টো এৰি দি বহি পৰিল। মনটো বৰ উগুলথুগুল লাগিল।কোনো খবৰ নাই বাতৰি নাই, অথচ কালি ৰাতিপুৱাইচোন তাইৰ স'তে ফ'নত কথা হৈছিল। তাইতো ইয়ালৈ অহাৰ কথা এবাৰো কোৱা নাছিল ? ছোৱালীজনী অলপ ছটফটীয়া স্বভাৱৰ বুলি তেওঁ জানে। হ'লেও এনেকৈ সকলোকে এৰি তাই কেনেকৈ আহিলে? তেওঁৰ মনত নানানটা ভাব একেলগেই খেলাই গ'ল। তেওঁ হঠাৎ ভাবিলে তাইক এটা ফ'ন কৰি চাব পাৰিলে ভাল হয়। এনেকৈ হঠাৎ একো খবৰ নিদিয়াকৈ অহাৰ বাবে তাইক ধমক এটাও দিব। জেপৰ পৰা ফ'নটো ওলিয়াই তেওঁ ৰিদ্ধিমাৰ নম্বৰটো ডায়েল কৰিলে। কেইবাবাৰো ৰিং হ'ল কিন্তু তাই কোনো সঁহাৰি নিদিলে। চলিহাই ভাবিলে তাই চাগে ফ'নটো বেগত ভৰাই থোৱাৰ বাবে ৰিংটো শুনা নাই। পিছত মিচ্ কল দেখিলে নিজেই কৰিব বুলি আশা কৰি  ফ'নটো থৈ দিলে।

ভিতৰৰ পৰা চলিহাৰ পত্নীয়ে তেওঁক মাতিলে। হঠাৎ তেওঁৰ ৰিদ্ধিমাই দিয়া টোপোলাটোৰ কথা মনত পৰিল। এইবাৰ তেওঁ আশংকাত ঘামিজামি গ'ল। কি বা ভৰাই আনিছে ছোৱালীজনীয়ে টোপোলাটোত ? তেওঁ অলপো দেৰি নকৰি ভিতৰলৈ সোমাই গ'ল। পত্নীয়ে হাঁহি হাঁহি তেওঁৰ মূৰত বগাত ক'লা আঁচ দিয়া উমাল টুপী এটা তেওঁৰ মূৰত পিন্ধাই দি ক'লে " চাওক এই টুপীটো তেওঁলোকে আপোনাৰ বাবে আনিছিল। ভালেই হ'ল দিয়ক আপুনি যিহে ক'লা ফাপৰে ধৰা বৰণৰ টুপী এটা পিন্ধি থাকে ! তাতকৈ এইটো বহুত গুণেই ভাল।" টুপীটো মূৰত পিন্ধি চলিহাৰ যেন সেই চিনাকি গোন্ধটো আকৌ নাকত লাগিল। পত্নীয়ে যে ক'লে টুপী টো তেওঁলোকে আনিছে বুলি, তাৰমানে টোপোলাটো যে ৰিদ্ধমাই তেওঁক দিছে সেই কথাটো তেওঁৰ পত্নীয়ে

নাজানে হ'বলা ? ছেহ: তেওঁ মিছাতেই ইমানখন অশান্তিত ভুগিলে! এৰা ! তেওঁ কিমান দিন ধৰি যে পত্নীক এনেকুৱা এটা অদৃশ্য টুপী পিন্ধাই আহিছে ! টুপীটো উম লগা আৰু দৃশ্যমান নহয় যদিও মিছা আৰু ফাঁকিৰে ভৰা। চলিহাই টুপীটো খুলি মূৰত হাত ফুৰালে। চুলি বহুত সেৰেঙা হৈছে। এমূৰ কিচকিচীয়া জপৰা চুলি আছিল যেতিয়া চলিহাই যুগ্ম জীৱন আৰম্ভ কৰিছিল। তাৰপিছত সাংসাৰিক জীৱনৰ কত ঘাত-প্ৰতিঘাত তেওঁ পত্নীৰ বিশ্বাস আৰু আস্থাৰ মাজেদি পাৰ কৰিলে। পত্নীয়ে কোনো কালেও তেওঁৰ আৰু ল'ৰা-ছোৱালী হালৰ বাহিৰে আন কোনোফালে চকু দিয়া চলিহাৰ মনত নপৰে। কিন্তু তথাপিও কিহৰ তাৰণাত তেওঁ ৰিদ্ধমাৰ দৰে ছোৱালী এজনীৰ লগত গোপন সম্পৰ্ক ৰাখিছিল ? আজি যেন চলিহাৰ কথাবোৰ কিবা সাঁথৰ সাথঁৰ লাগিল।

আকৌ কৰ্কশ মাতেৰে কলিং বেলটো বাজি উঠাত চলিহাৰ ভাবত যতি পৰিল।তেওঁ আকৌ ৰিদ্ধিমা অহা বুলিয়েই আশংকা কৰি দুৱাৰ খুলিবলৈ আগবাঢ়ি গৈ দেখে দুজন চিনাকি মানুহ তেওঁক লগ পাবলৈআহিছে। চলিহাই মানুহ দুজনক মাতি আনি ভিতৰত বহোৱালে আৰু ভিতৰলৈ গৈ পত্নীক মানুহ দুজন অহাৰ কথা ক'লে। বহুত সময় তেওঁ মানুহ দুজনৰ লগত কথা পাতিলে যদিও তেওঁৰ ৰিদ্ধমাৰ কথাই মনত পৰি থাকিল।তেওঁ ভাবিলে এই অচিনাকি চহৰত তাই যদি অকলে আহিছে তেনেহ'লে থাকিব ক'ত ? তাইতো এই চহৰত তাইৰ কোনো আত্মীয় পৰিজন আছে বুলিও কোৱা নাছিল। কিমান সময় ভাবত বিভোৰ হৈ ছোৱালীজনী চুকৰ চকীখনত বহি থাকিল, হ'লেও তেওঁ তাইৰ লগত ভালদৰে মাত এষাৰো নিদিলে। অন্তত: ইয়াত তাই ক'ত আছেহি বুলি সোধা হেঁতেনো তাইৰ খবৰ এটা ল'ব পাৰিলেহেঁতেন! চলিহাৰ আকৌ এবাৰ তাইলৈ ফ'ন এটা কৰি চাবলৈ মন গ'ল। চলিহাৰ পত্নীয়ে আলহীক চাহ দিলেহি । চেগ বুজি চলিহা ভিতৰলৈ গৈ আকৌ ৰিদ্ধমাৰ নম্বৰটো ডায়েৰ কৰিলে। এইবাৰ সেইফালৰ পৰা পুৰুষ কণ্ঠ এটা ভাঁহি আহিল। চলিহা বিমোৰত পৰিল। তেওঁ আকৌ তাইৰ নম্বৰটো ভালদৰে পৰীক্ষা কৰিলে। একেইতো আছে নম্বৰটো ? যোৱাকালিৰ কন্টেক্ট লিষ্টৰ পৰাই তেওঁ নম্বৰটো ৰিডায়েল কৰিছিল। তেন্তে তাইৰ ফ'নত পুৰুষ কণ্ঠ ? কথাবোৰ চলিহাৰ কিবা আচহুৱা লাগিল। ফ'নটো জেপত ভৰাই তেওঁ পুনৰ আলহীৰ লগত কথা পতাত লাগিল। তাৰে এজনে বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত বৰ ৰসাল আলোচনা আৰম্ভ কৰিলে। বোলে " আগৰ চৰকাৰখন বৰ বেছি পুৰণা হৈছিল বাবেই ৰাইজৰ একঘেয়ামি হৈছিল, সেইবাবেই ৰাইজেই জানো নতুন চৰকাৰখনক ৰাজপাটত উঠোৱা নাছিল? এতিয়া চৰকাৰী প্ৰতিনিধিৰ কথাৰ ফুলজাৰি আৰু মিছাৰ ফাকটি।" আন এজনে ক'লে " নতুন চৰকাৰখনে একো দিব নোৱাৰিলেও ৰাইজখনক একোটাহঁত টুপী বাৰুকৈয়ে পিন্ধাইছে।" মানুহজনৰ মুখত টুপীৰ কথা শুনি বিনন্দ চলিহাৰ আকৌ ৰিদ্ধমাই দিয়া টুপীটোৰ কথা মনত পৰি গ'ল। তেওঁ মনে মনে ভাবিলে সঁচাকৈয়ে কেৱল চৰকাৰেই নহয় আজিকালি সুবিধা পালেই এজনে আন জনক টুপী পিন্ধায়। তাৰে বেছিভাগ টুপী য়েই নিজৰ স্বাৰ্থৰ লগত জড়িত। তেৱোঁতো অতদিনে পত্নীক এটা শুধ বগা টুপী পিন্ধাই আহিছে ! অথচ সহজ-সৰল মানুহজনীয়ে একোৱেই তলকিব নোৱাৰি ৰিদ্ধমাই দিয়া টুপীটো তেওঁক নিজ হাতেৰে পিন্ধাই দি তাৰ শলাগ লৈছে।চ'ৰাঘৰত তেওঁ লোকৰ ৰসাল আলোচনা পাগত উঠিল যদিও চলিহাৰ মনটো ভিতৰি ভিতৰি এক অজান আশংকাত হাহাঁকাৰ কৰি থাকিল। কিছুপৰৰ পিছত মানুহ দুজন গুচি গ'লত চলিহাই পত্নীৰ লগত ইটো-সিটো কথা পাতি আছিল। সন্মুখত টি ভি টো চলি আছিল। সন্ধিয়াৰ আঞ্চলিক বাতৰিটো দুয়োজনে একেলগে বহি

চাই। অলপ পিছতেই বাতৰিৰ ঘোষকে সন্ধিয়াৰ  মুখ্য বাতৰি সমূহ পঢ়িবলৈ ধৰিলে। ডাঙৰ হল ঘৰটোত ডাইনিং টেবুলটোৰ সন্মুখৰ বেৰত টিভিটো আৰু মাত্ৰ দুজন মানুহ। সন্তৰ্পণে বাতৰি শুনাৰ বাবেই দুয়োজনৰ মন আৰু চকু টি ভিৰ পৰ্দাত নিবদ্ধ। বেৰত এটা নোদোকা জেঠিয়ে মহ খাবলৈ জোপ লৈ থকা পখিলা এটাক জপটিয়াই ধৰি টিকটিকাই দিয়াত এটা বিকট শব্দ হোৱা যেন লাগিল।কিছু সময়ৰ বাবে দুয়োজনৰ দৃষ্টি বেৰত বগাই থকা জেঠিটোত নিবদ্ধ হ'ল।

টিভিত ঘোষকে মুখ্য বাতৰি সমূহ সবিস্তাৰে পঢ়িবলৈ ধৰিলে। " উজনি অসমৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক আৰু জনপ্ৰিয় অসমীয়া আলোচনী "অংগনা"ৰ কাৰ্যবাহী সম্পাদক ৰিদ্ধমা বশাকৰ অকাল মৃত্যু। সুদীৰ্ঘ দহ বছৰ কাল হাওঁফাওঁৰ কৰ্কট ৰোগত ভোগী অৱশেষত দূদান্ত সাহসী আৰু কৰ্মসচেতন বশাকে যোৱা নিশা উজনি অসমৰ এখন স্থানীয় নাৰ্চিংহোমত মৃত্যুৰ ওচৰত হাৰ মানিলে।সাহিত্যিক সাংবাদিক বশাকৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰস্তাৱ প্ৰেৰণ কৰি তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰিলে।তেওঁৰ অকাল মৃত্যুত অঞ্চলটোত দুখৰ ছাঁ পৰিল।" ডাইনিং টেবুলৰ এচুকত তেতিয়াও চিকচিকিয়া কাগজেৰে মেৰিয়াই থোৱা টুপীটো পৰি আছিল। চলিহাই টুপীটো হাতত হৈ জোৰে জোৰে কাহিবলৈ ধৰিলে। এসময়ত কাহি কাহি মানুহজন চকীখনতেই ঢলি পৰিল।

ই-মেইল আইডিঃ drnade3@gmail.com